অধ্যায় ৭ : চৰিত পুথিৰ গদ্য (গুৰু-চৰিত-কথাৰ বিশেষ উল্লিখনসহ)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ চৰিত পুথি আৰু গুৰু-চৰিত-কথা

৭.৪ গুৰু-চৰিত-কথা

৭.৪.১ বিষয়বস্তুৰ আলোচনা

৭.৪.২ গুৰু-চৰিত-কথাৰ গদ্যৰীতি

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭.৭ অগ্রগতিৰ খতিয়ান

৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- চৰিত পুথিৰ উৎপত্তি আৰু বিকাশ সম্বন্ধে জানিব পাৰিব।
- গুৰু-চৰিত-কথাৰ স্বৰূপ আৰু সাহিত্যিক গুৰুত্ব বুজিব পাৰিব।
- শংকৰদেৱৰ জীৱন, কর্ম আৰু আদর্শৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।
- চৰিত সাহিত্যৰ ঐতিহাসিক, সামাজিক আৰু সাংস্কৃতিক মূল্য উপলব্ধি কৰিব পাৰিব।
- গুৰু-চৰিত-কথাৰ গদ্যৰীতি আৰু ভাষাগত বৈশিষ্ট্যসমূহ সম্বন্ধে ধাৰণা লাভ কৰিব পাৰিব।
- মধ্যযুগীয় অসমৰ সমাজ-সংস্কৃতি, শিক্ষা আৰু ধর্মীয় জীৱনৰ বিষয়ে জানিব পাৰিব।

৭.২ পৰিচয়

পূর্বৰ অধ্যায়ত আমি ৰঘুনাথ মহন্তৰ *কথা ৰামায়ণৰ* এক গুৰুত্বপূর্ণ অংশ অধ্যয়ন কৰিছিলোঁ। সেই পাঠত অযোধ্যাত ৰামৰ ৰাজ-অভিষেকৰ প্রস্তুতি, মন্থৰাৰ কুমন্ত্রণা, কৈকেয়ীৰ দাবী আৰু তাৰ ফলস্বৰূপে ৰামৰ বনবাসৰ ঘটনা সম্পর্কে জানিবলৈ সক্ষম হৈছিলোঁ। লগতে ৰামৰ পিতৃভক্তি, মাতৃভক্তি, ভাতৃপ্রেম, সত্যনিষ্ঠা, কর্তব্যপৰায়ণতা আৰু ত্যাগৰ মহান আদর্শৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিছিলোঁ। এই পাঠৰ জৰিয়তে বৈষ্ণৱ ভক্তিভাৱ, ৰামৰ ঈশ্বৰীয় স্বৰূপ আৰু অসমীয়া সমাজ-সংস্কৃতিৰ বিভিন্ন উপাদানৰ প্রতিফলনো উপলব্ধি কৰিব পাৰিছিলোঁ।

এই অধ্যায়ত আমি চৰিত সাহিত্যৰ এক উল্লেখযোগ্য নিদর্শন *গুৰু-চৰিত-কথাৰ* বিষয়ে অধ্যয়ন কৰিম। ইয়াৰ জৰিয়তে চৰিত পুথিৰ উৎপত্তি আৰু বিকাশ, *গুৰু-চৰিত-কথাৰ* স্বৰূপ আৰু সাহিত্যিক গুৰুত্বৰ বিষয়ে জানিব পাৰিম। লগতে মহাপুৰুষ শংকৰদেৱৰ জীৱন, কর্ম আৰু আদর্শ সম্পর্কে জ্ঞান লাভ কৰাৰ উপৰিও চৰিত সাহিত্যৰ ঐতিহাসিক, সামাজিক আৰু সাংস্কৃতিক মূল্য উপলব্ধি কৰিব পাৰিম। এই অধ্যয়নৰ জৰিয়তে *গুৰু-চৰিত-কথাৰ* গদ্যৰীতি, ভাষাগত বৈশিষ্ট্য আৰু মধ্যযুগীয় অসমৰ সমাজ-সংস্কৃতি, শিক্ষা তথা ধর্মীয় জীৱনৰ বিভিন্ন দিশৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিব পাৰিম।

৭.৩ চৰিত পুথি আৰু গুৰু-চৰিত কথা

আপুনি প্রথম ষান্মাসিকত পঢ়ি অহা 'অসমীয়া সাহিত্যৰ বুৰঞ্জী, লিপি আৰু শাসন অধ্যয়ন' শীর্ষক পাঠ্যবিষয়টিৰ অষ্টম অধ্যায়ত চৰিত সাহিত্যৰ বিষয়ে কিছু কথা ইতিমধ্যেই অধ্যয়ন কৰি আহিছে। তথাপিতো এই অধ্যায়টোতো কিছু কথা পুনৰুক্তি কৰা যাব। খ্রীষ্টীয় ষোড়শ শতিকাৰ শেষ ভাগ আৰু সপ্তদশ শতিকাৰ আৰম্ভণিৰ পৰা অসমীয়া সাহিত্যত চৰিত সাহিত্য সৃষ্টিৰ শুভাৰম্ভ হয়। প্রায় এশ বছৰ কাল জুৰি আমাৰ দেশত এই শ্রেণীৰ সাহিত্যৰ অন্তর্গত পুথিৰ উদ্ভৱ আৰু বিকাশ ঘটে। এই চৰিত পুথিসমূহত শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি মহাপুৰুষসকলৰ লগতে অন্যান্য শিষ্য-প্রশিষ্য আৰু সন্ত-মহন্তসকলৰ জীৱন-লীলা বর্ণিত হৈছে। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিৰোধানৰ পাছত তেওঁলোক দুজনাক গুৰু মানি লোৱা শিষ্যসকলে সত্রানুষ্ঠানসমূহত তেওঁলোকৰ গুণানুকীর্তন কৰিছিল। ইয়াৰ আধাৰতে চৰিত পুথি ৰচিত হ'বলৈ ধৰে। এই শ্রেণীৰ পুথি প্রথমতে ছন্দত ৰচিত হৈছিল। এনে ধৰণৰ গুৰুৰ গুণানুকীর্তন কৰাৰ পৰম্পৰাকে 'চৰিত তোলা' প্রথা বা 'চৰিত চর্চা' বোলা হৈছিল। সত্রসমূহত প্রচলিত হৈ থকা চৈধ্য প্রসঙ্গৰ অন্তর্গত নাম-কীর্তনৰ প্রসঙ্গৰ শেষত এগৰাকী বুঢ়া ভকতে সমৱেত ভকতসকলৰ আগত গুৰুৰ জীৱন-লীলা ব্যক্ত কৰে আৰু ভকতসকলে নিষ্ঠা আৰু ভক্তিৰে সৈতে শুনে। এইদৰে গুৰুৰ জীৱন আৰু চৰিত্রৰ শ্রৱণ-কথনৰ ঐতিহ্যতে চৰিত তোলা প্রথাৰ প্রচলন হয়। সত্রসমূহৰ উপৰি কেতিয়াবা কেতিয়াবা কোনো ভকত-সজ্জনৰ গৃহতো দহ ভকত লগ হৈ এনে চৰিত্র-প্রসঙ্গ আলোচনা কৰে। ইয়াত কেতিয়াবা গুৰুসকলৰ জীৱন কাহিনী বিৱৰি কয় আৰু কেতিয়াবা পদ-চৰিতৰ লগত অংশ বিশেষ সুৰ লগাই আবৃত্তি কৰে। এনে চৰিত তোলা প্রথাত ক'ৰবাত কেতিয়াবা আঁৰ লগা যেন অনুভৱ কৰিলে আন এজনে তাক শুধৰাই দিয়ে। চৰিত পুথিৰ মতানুসৰি পোন প্রথমে মাধৱদেৱেই এনে চৰিত তোলা প্রথাৰ প্রথম আৰম্ভণি কৰে।

গুৰুৰ জীৱন-চর্চা এক বিশ্বজনীন প্রক্রিয়া। অসমৰ দৰে ভাৰতৰ আন আন ঠাইত, আনকি ভাৰতবর্ষৰ বাহিৰতো বিভিন্ন ধর্মগুৰুসকলৰ জীৱন-বৃত্ত সোঁৱৰণৰ এনে প্রয়াস দেখা যায়। পণ্ডিতসকলে অসমীয়া চৰিত পুথিৰ লগত বুদ্ধদেৱৰ জীৱন-চৰিত, জৈনাচার্যসকলৰ জীৱন-সোঁৱৰণ তথা পশ্চিমৰ ধর্ম যাজকসকলৰ চৰিত্র-বর্ণনৰ সাদৃশ্য লক্ষ্য কৰিছে। চৰিত পুথি মূলতঃ গুৰুসকলৰ জীৱন-বৃত্তৰ চর্চা যদিও ইয়াত কিন্তু তেওঁলোকৰ আদর্শৱান জীৱনৰ একপক্ষীয় সোঁৱৰণহে দেখা যায়। সেয়ে ইবোৰক প্রকৃত জীৱনী সাহিত্যৰ অন্তর্গত কৰা কঠিন। আলোচক গোবিন্দ প্রসাদ শর্মাই অসমীয়া চৰিত-সাহিত্যক hagiography শ্রেণীৰ ৰচনাৰ অন্তর্ভুক্ত কৰিছে।

কথা চৰিতৰ উৎসৰ সৈতে ভক্তসকলৰ চৰিত তোলা প্ৰথা জড়িত হৈ থকা বাবে ইয়াৰ গদ্যৰীতিত কথোপকথনৰ ঠাঁচ লক্ষ্যণীয়ভাৱে পৰিছে। আনহাতে ভক্তি-পৰম্পৰাৰ পৰা উদ্ধৃত হোৱা হেতুকে ইয়াত ভকতীয়া সুৰো দেখা যায়। গুৰুসকলৰ প্ৰতি থকা একনিষ্ঠ দায়বদ্ধতাৰ ভাবৰ কাৰণে ইয়াত তেওঁলোকৰ আদৰ্শবাদী কথাবোৰহে বেছিকৈ উল্লিখিত হৈছে। তৎস্বত্বেও ক'ব লাগিব যে এই চৰিত সাহিত্যৰ মাজেৰে অসমীয়া সামাজিক, ৰাজনৈতিক, আৰ্থিক আৰু সাংস্কৃতিক জীৱনৰ সুন্দৰ প্ৰতিচ্ছবি ফুটি উঠিছে। এই প্ৰসংগত গুৰু-চৰিত-কথাৰ ভূমিকাত সম্পাদক মহেশ্বৰ নেওগে কোৱা এষাৰ কথা উদ্ধৃত কৰা হ'ল –

নৈমিষাৰণ্যত সমৱেত হোৱা ঋষিসকলৰ আগত সূতে ভাগৱত পু�ৰাণ বিৱৰি কোৱাৰ দৰে 'প্ৰাণ-গুৰু'ৰ দেৱ-তুল্য চৰিত্ৰত 'উন্মত' হৈ এজন বিশিষ্ট বুঢ়া ভকত আতৈয়ে এখনি সত্ৰৰ বৰবহাত বহি আন আন আতৈ-বাপুসকলৰ সমাজত সেই চৰিত্ৰ বৰ্ণনাইছে। তেওঁক গুৰু-চৰিত-কথাৰ বক্তা বুলিব পাৰি, লেখক নহয়। আতৈ গৰাকীৰ কথা-বচন অনুসৰি যিজনে বা যিসকলে পুথিখন লিখি উলিয়াইছে, তেওঁৰ বা সিসকলৰো নাম নাই। সিজন বা সিসকল নিমাত হৈ ৰৈ গৈছে। বক্তা আতৈ গৰাকী কিন্তু পুথিৰ প্ৰাৰম্ভতে আমাৰ আগত দেখা দি নোহোৱা হ'লেও সামৰণিৰ সময়ত পুনৰ ছাঁৰ দৰে আমাক দেখা দি নোহোৱা হ'লেও সকলো কথন তেওঁৰ মুখৰ বচন, সকলো বৰ্ণনৰ আঁৰতে যেন তেওঁ ঘাই সূত্ৰা।

এই বিষয়ে ইতিপূৰ্বে আপোনাক প্ৰথম যান্মাসিকতে কিছু তথ্য জনাই অহা হৈছে। সেইখিনিও আপুনি এই অধ্যায়টোৰ পৰিপূৰক হিচাপে অধ্যয়ন কৰিব। এতিয়া আপোনাৰ পাঠ্যবিষয়ত অন্তভুৰ্ক্ত পাঠটোৰ মূল পুথিখনৰ বিষয়ে চমুকৈ আলোচনা কৰা যাওক।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ : 'চৰিত তোলা' প্ৰথা পোন প্ৰথমে কোনে আৰম্ভ কৰিছিল বুলি জনা যায়?

.....

আপুনি ইতিমধ্যে গম পাই আহিছে যে এনে চৰিত তোলা প্ৰথাৰ লিখিত ৰূপ সাঁচিপতীয়া পুথিৰ প্ৰতিনিধিহে আছিল। অসমৰ প্ৰধান সত্ৰসমূহত নিজা নিজা কথা চৰিত্ৰ সংৰক্ষিত হৈ আছে। মন কৰিবলগীয়া যে আমি পোৱা গুৰু-চৰিত-কথা নামটিও তেতিয়া নাছিল। সাঁচিপতীয়া পুথিৰ নকল এটি অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰুৱে সম্পাদন কৰি ১৯৫২ খ্ৰীষ্টাব্দত ছপা কৰি উলিয়ায়। তেওঁ ইয়াৰ নাম ৰাখিছিল কথা-গুৰুচৰিত। ইয়াৰ লেখা মাধ্যম গদ্যাশ্ৰয়ী হোৱা বাবে তেওঁ ইয়াত 'কথা' শব্দটি সংযোগ কৰি দিছিল। পিছলৈ অধ্যাপক মহেশ্বৰ নেওগে ১৯৮৭ খ্ৰীষ্টাব্দত ইয়াক পুনঃ সম্পাদন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা প্ৰকাশ কৰে আৰু লেখাৰুৰ আৰ্হিতে নামটিক সামান্য সলনি কৰি গুৰু-চৰিত-কথা ৰূপে ৰাখে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এই পুথি দুখনৰ মূল পাঠ ববপেটা সত্ৰত থকা সাঁচিপতীয়া পুথিৰ পৰা লোৱা হৈছে। মহেশ্বৰ নেওগৰ মতে এই পুথিখন বাণীকান্ত কাকতিয়ে ১৯২৭ খ্ৰীষ্টাব্দ মানত ববপেটা সত্ৰৰ সত্ৰীয়া চতুভুৰ্জ মিশ্ৰৰ পৰা শৰণ ল'বৰ সময়ত আশিস-নিৰ্মালী ৰূপে পাইছিল। ১৯৩৮ খ্ৰীঃৰ ২০ জানুৱাৰী তাৰিখে বাণীকান্ত কাকতিয়ে পুথিখনি অসম বুৰঞ্জী আৰু পু�ৰাতত্ত্ব

বিভাগক ধাৰলৈ দিয়ে। এই চৰকাৰী বিভাগত থকা পুথিখনৰ সংখ্যা NO 288 D. H. A. S. দি চিহ্নিত হৈছিল আৰু শঙ্কৰ চৰিত বা শঙ্কৰ চৰিত গদ্য নামে পঞ্জীভূক্ত হৈছিল। ১৯৪৫ চনৰ ২ জুলাই তাৰিখে তেওঁ পুনৰ এই পুথিখনি নিজৰ হাতলৈ আনে। ১৯৪৯-৫০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত ন কৈ প্রতিষ্ঠিত হাতে-লেখা পুথিভঁৰাললৈ তেওঁ এইখন দান কৰে। তেতিয়াৰে পৰা এইখন চৰিত পুথি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সম্পত্তি ৰূপে গণ্য হয় আৰু গুৰু চৰিত [শঙ্কৰ] নামে পৰিচিত হয়।

এই চৰিতখনিৰ নিজা কোনো নাম নাই। ওপৰত উল্লেখ কৰা নামবোৰ পুথিৰ পঞ্জীয়ন আৰু তালিকা-সূচীৰ বাবে চৰকাৰী বিভাগ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ হাতে-লেখা গ্রন্থাগাৰে দিয়া। অৱশ্যে পুথিখনিৰ মাজত ‘গুৰুজনা লীলা চৰিত্র’ [দফাৰত] আৰু ‘দুজনা গুৰু দুজনা ঠাকুৰদেউ নজনা আতা আৰু অনেক মহাভাগৱত চৰিত্র অমৃত’ বুলি লিখা আছে। দ্বিতীয়টি আখ্যা দফা–ৰ১৩০ত উল্লিখিত [মূল সাঁচিপতীয়া পুথিত]।

পুথিখনত ৰচকৰ নামোল্লেখ নাই। পুথিখনৰ বিশদ অধ্যয়নৰ পৰা ইয়াৰ বক্তাসকলৰ উমান পাব পাৰি। গুৰু-চৰিত-কথাৰ সম্পাদক মহেশ্বৰ নেওগে উপেন্দ্রচন্দ্র লেখাৰু সম্পাদিত কথা-গুৰুচৰিত আৰু তেওঁৰ সম্পাদিত গ্রন্থৰ মাজত পাঠৰ বিষয়ত কেতবোৰ মৌলিক পার্থক্য বিচাৰি পাইছে। অধ্যাপক উপেন্দ্রচন্দ্র লেখাৰুৰ মতে এই পুথিখনি খ্রীষ্টীয় অষ্টাদশ শতিকাৰ আগভাগত, বিশেষকৈ ১৭১৬ খ্রীঃৰ পিছত ৰচিত হৈছে। মহেশ্বৰ নেওগে ইয়াৰ ৰচনাকাল সেই একে শতিকাৰ প্রথম কেইদশকতে স্থাপন কৰিব পাৰি বুলি মন্তব্য আগ বঢ়াইছে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ : গুৰু-চৰিত-কথাৰ নামেৰে পৰিচিত পুথিখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ হাতে-লেখা পুথিভঁৰালত কি নামেৰে অন্তর্ভুক্ত কৰা হৈছিল ?

.....

.....

৭.৪ গুৰু চৰিত কথা

৭.৪.১ বিষয়বস্তুৰ আলোচনা

গুৰু-চৰিত কথা মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ জীৱন, কর্ম, ধর্মীয় চিন্তা-চেতনা, সাহিত্য-সাধনা আৰু সমাজ-সংস্কাৰমূলক কার্যকলাপক কেন্দ্র কৰি ৰচিত এখন উল্লেখযোগ্য চৰিতপুথি। আলোচ্য অংশত মূলতঃ শংকৰদেৱৰ জন্মৰ পৰা আৰম্ভ কৰি একশৰণ নামধর্ম প্রচাৰত সক্রিয়ভাৱে মনোনিৱেশ কৰাৰ সময়ছোৱাৰ বিভিন্ন ঘটনা উপস্থাপিত হৈছে। এই ঘটনাবোৰৰ মাজেৰে তেওঁৰ ব্যক্তিত্ব, আদর্শ, আধ্যাত্মিক শক্তি আৰু সমাজ-সাংস্কৃতিক ভূমিকা স্পষ্টভাৱে ফুটাই তোলা হৈছে।

চৰিতখনৰ আৰম্ভণিতে শংকৰদেৱৰ জন্ম আৰু শৈশৱৰ বিভিন্ন ঘটনা বৰ্ণিত হৈছে। জন্মৰ পৰাই তেওঁ এক অসাধাৰণ আৰু ঐশ্বৰিক শক্তিৰ অধিকাৰী ব্যক্তি বুলি প্ৰতিপন্ন কৰাৰ চেষ্টা দেখা যায়। তেওঁৰ জীৱনৰ সৈতে জড়িত বিভিন্ন অলৌকিক ঘটনাৰ উল্লেখ কৰি চৰিতকাৰে তেওঁক সাধাৰণ মানৱৰ পৰ্যায়ৰ ঊৰ্ধ্বত এক মহাপুৰুষৰ ৰূপত চিত্ৰিত কৰিছে। এই অলৌকিক ঘটনাবোৰৰ মূল উদ্দেশ্য আছিল শংকৰদেৱৰ আধ্যাত্মিক মহিমা প্ৰতিষ্ঠা কৰা আৰু ভক্তসকলৰ মাজত তেওঁৰ প্ৰতি গভীৰ আস্থা সৃষ্টি কৰা।

শৈশৱৰ বৰ্ণনাত শংকৰদেৱৰ সাহস, শক্তি, কৌতূহল আৰু নেতৃত্বৰ গুণৰ বিশেষ প্ৰকাশ দেখা যায়। তেওঁ সমনীয়াসকলৰ লগত খেল-ধেমালি কৰা, নদীত সাঁতুৰা, জীৱ-জন্তুৰ সৈতে সম্পৰ্কিত বিভিন্ন কাৰ্যত অংশগ্ৰহণ কৰা আদি ঘটনাৰ মাজেৰে এক সক্ৰিয় আৰু প্ৰতিভাশালী শিশুৰ ৰূপত প্ৰতিভাত হৈছে। একে সময়তে এই ঘটনাবোৰত অলৌকিকতাৰ সংমিশ্ৰণ ঘটাই তেওঁক কৃষ্ণ-চৰিতৰ সৈতে তুলনা কৰাৰ প্ৰৱণতাও লক্ষ্য কৰা যায়।

চৰিতখনত শংকৰদেৱৰ শিক্ষাজীৱনৰো বিস্তৃত বৰ্ণনা আছে। মহেন্দ্ৰ কন্দলিৰ টোলত অধ্যয়নকালত তেওঁ অতি কম সময়ৰ ভিতৰতে বিভিন্ন শাস্ত্ৰ আয়ত্ত কৰিছিল বুলি উল্লেখ কৰা হৈছে। ইয়াৰ দ্বাৰা তেওঁৰ অসাধাৰণ মেধা, অধ্যৱসায় আৰু জ্ঞান-পিপাসাৰ পৰিচয় পোৱা যায়। একে সময়তে সেই যুগৰ শিক্ষা ব্যৱস্থা, গুৰু-শিষ্য সম্পৰ্ক আৰু শাস্ত্ৰচৰ্চাৰ ধাৰণাও ইয়াৰ পৰা লাভ কৰা যায়।

শংকৰদেৱৰ জীৱনৰ আন এক গুৰুত্বপূৰ্ণ অধ্যায় হৈছে তেওঁৰ তীৰ্থযাত্ৰা। এই যাত্ৰাই তেওঁৰ চিন্তা-চেতনা আৰু আধ্যাত্মিক জীৱনত গভীৰ প্ৰভাৱ পেলাইছিল। বিভিন্ন পৱিত্ৰ স্থান ভ্ৰমণ কৰি তেওঁ ভা�ৰতীয় ধৰ্ম-দৰ্শন, ভক্তি আন্দোলন আৰু আধ্যাত্মিক সাধনাৰ বহুমুখী দিশৰ সৈতে পৰিচিত হয়। তীৰ্থযাত্ৰাৰ অভিজ্ঞতাই পৰৱৰ্তী সময়ত তেওঁৰ ধৰ্মীয় মতাদৰ্শ গঠনত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

চৰিতখনৰ অন্যতম মুখ্য বিষয় হৈছে একশৰণ নামধৰ্মৰ প্ৰচাৰ। তীৰ্থযাত্ৰাৰ পাছত শংকৰদেৱে সমাজৰ মাজত ভক্তি, নাম-প্ৰসঙ্গ, সৎসংগ আৰু ঈশ্বৰৰ একনিষ্ঠ উপাসনাৰ আদৰ্শ প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে। তেওঁ সমাজৰ জাতি-ভেদ, কুসংস্কাৰ আৰু জটিল ধৰ্মীয় আচাৰৰ বিপৰীতে সহজ ভক্তিমাৰ্গক গুৰুত্ব দিয়ে। এই দিশটোৱে তেওঁক কেৱল ধৰ্মগুৰু নহয়, এজন সমাজ-সংস্কাৰক হিচাপেও প্ৰতিষ্ঠা কৰে।

এই অংশত শংকৰদেৱৰ সাহিত্যিক আৰু সাংস্কৃতিক অৱদানৰো বিস্তৃত উল্লেখ আছে। তেওঁ ৰচনা কৰা বিভিন্ন গ্ৰন্থ, কাব্য, ভক্তিমূলক সাহিত্য আৰু নাটৰ প্ৰসংগ ইয়াত সন্নিৱিষ্ট হৈছে। বিশেষকৈ চিহ্নযাত্ৰাৰ দৰে নাট্য-প্ৰদৰ্শনৰ উল্লেখে প্ৰমাণ কৰে যে শংকৰদেৱে ধৰ্মপ্ৰচাৰৰ মাধ্যম হিচাপে সাহিত্য, সংগীত, নাট্যকলা আৰু চিত্ৰকলাক সৃজনশীলভাৱে ব্যৱহাৰ কৰিছিল। ইয়াৰ ফলত অসমীয়া সংস্কৃতি এক নতুন দিশ লাভ কৰিছিল।

চৰিতখনত শংকৰদেৱৰ শিষ্যগঠন আৰু ৱৈষ্ণৱ ধৰ্মৰ বিস্তাৰৰ কথাও বিশেষভাৱে উল্লেখ কৰা হৈছে। বিভিন্ন ব্যক্তি তেওঁৰ আদৰ্শত অনুপ্ৰাণিত হৈ শৰণ গ্ৰহণ কৰিছিল আৰু তেওঁৰ ধৰ্মীয় আন্দোলনৰ অংশীদাৰ হৈছিল। ইয়াৰ দ্বাৰা শংকৰদেৱৰ ব্যক্তিত্বৰ আকৰ্ষণ আৰু তেওঁৰ ধৰ্মীয় আদৰ্শৰ ব্যাপক গ্ৰহণযোগ্যতাৰ বিষয়ে ধাৰণা লাভ কৰা যায়।

আলোচ্য অংশত সমসাময়িক অসমৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনৰো এক জীৱন্ত চিত্ৰ অংকিত হৈছে। শিক্ষা ব্যৱস্থা, খাদ্যাভ্যাস, খেল-ধেমালি, যাতায়ত ব্যৱস্থা, কৃষি, জীৱ-জন্তু, ধৰ্মীয় আচাৰ-অনুষ্ঠান, বিভিন্ন পেছাধাৰী লোকৰ জীৱনধাৰা আদিৰ উল্লেখে তদানীন্তন সমাজৰ বাস্তৱ ছবি প্ৰতিফলিত কৰিছে। লগতে বাৰভূঞা, কছাৰী আৰু অন্যান্য শক্তিসমূহৰ মাজৰ সংঘাতৰ উল্লেখে সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ বিষয়েও ধাৰণা দিয়ে।

চৰিতখনৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে শংকৰদেৱৰ জীৱনক কৃষ্ণ-চৰিতৰ আৰ্হিত উপস্থাপন কৰাৰ প্ৰয়াস। তেওঁৰ বিভিন্ন কাৰ্যকলাপ, অলৌকিক শক্তি আৰু জীৱনৰ ঘটনাবোৰক ভক্তিমূলক দৃষ্টিভংগীৰে ব্যাখ্যা কৰা হৈছে। ফলস্বৰূপে চৰিতখন কেৱল এখন জীৱনীমূলক গ্ৰন্থ হৈ নাথাকি এক ধৰ্মীয় আৰু ভক্তিমূলক সাহিত্যকৃতি হিচাপেও পৰিগণিত হৈছে।

সামগ্ৰিকভাৱে *গুৰু-চৰিত কথাত* মহাপুৰুষ শংকৰদেৱৰ জীৱন, আদৰ্শ, সাহিত্য-সংস্কৃতিৰ সাধনা, ধৰ্মপ্ৰচাৰ আৰু সমাজ-সংস্কাৰৰ এক সুসংহত চিত্ৰ উপস্থাপিত হৈছে। একে সময়তে এই গ্ৰন্থই মধ্যযুগীয় অসমৰ সমাজ, সংস্কৃতি, শিক্ষা, অৰ্থনীতি আৰু ৰাজনৈতিক জীৱনৰ মূল্যৱান তথ্য সংৰক্ষণ কৰি অসমীয়া জাতিৰ সাংস্কৃতিক বুৰঞ্জীৰ এক গুৰুত্বপূৰ্ণ দলিল হিচাপে স্বীকৃতি লাভ কৰিছে।

৭.৪.২ গুৰু-চৰিত-কথাৰ গদ্যৰীতি

আগৰ অধ্যায় কেইটাৰ পৰা আপুনি ইতিমধ্যে অৱগত হৈছে যে অসমীয়া গদ্য সাহিত্যৰ এক দীঘলীয়া ইতিহাস আছে। শংকৰোত্তৰ কালত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জী আৰু সত্ৰীয়া পৰিৱেশত ৰচিত চৰিত পুথিত অসমীয়া গদ্যৰ বিশেষ বিকাশ আৰু সমৃদ্ধি ঘটে। এই বিষয়েও ইতিমধ্যে প্ৰথম যা°¬াসিকতে অধ্যয়ন কৰি অহাৰ লগতে এইটো অধ্যায়টো কিছু কথা অৱগত হৈছে। এতিয়া আমাৰ আলোচ্য পাঠাংশৰ আধাৰত চৰিত পুথিৰ গদ্যৰ বিষয়ে কিছু কথা আলোচনা কৰা যাওক।

মহাপুৰুষ দুজনাকে ধৰি অন্যান্য ধৰ্মগুৰুসকলৰ গুণানুকীৰ্তন কৰি চৰিত্ৰ বৰ্ণনা কৰাটোৱেই হ'ল চৰিত পুথিৰ অন্যতম উদ্দেশ্য। সেয়ে চৰিত পুথিৰ ভাষা আন আন সাহিত্যৰ পৰা ভালেখিনি পৃথক, কিন্তু ইয়াৰ মাজতো সমসাময়িক অসমীয়া সমাজ-সংস্কৃতিৰ ছবি প্ৰতিফলিত হৈছে। সেয়ে ইয়াত বৰ্ণনীয় বিষয় ধৰ্মপ্ৰাণ ৰাইজৰ হৃদয়গ্ৰাহী কৰি তুলিবলৈ প্ৰয়াস কৰিবলৈ যত্ন কৰা দেখা যায় আৰু ভাষাও ঘৰুৱা কথ্য-ৰীতি ওচৰ চপা। গুৰু-চৰিত-কথাত বক্তা আৰু শ্ৰোতাৰ মাজৰ শ্ৰৱণ-কথন প্ৰক্ৰিয়াৰ দ্বাৰা বিষয়বস্তু বৰ্ণিত হৈছে। সেয়ে ইয়াত এনে এক কথনভঙ্গী ফুটি উঠিছে য'ত বক্তা আৰু শ্ৰোতাৰ মাজত নাটকীয় বাক্‌ৰীতিৰ দৃষ্টান্ত দেখা যায়। আপোনাৰ পাঠ্যখিনিৰ পৰাই এনে নাটকীয়তাপূৰ্ণ কথোপকথন ৰীতিৰ উদাহৰণ দেখুৱাব পাৰি–

আৰু একদিনা খেৰসুটি মাতৃ বোলে বাপু : তুমি মোৰ বংশধৰ নাতি : আগলৈ সন্ততি নাই এটি কন্যা জোৰা : গুৰু বোলে মাতৃ বিবাহ কৰালো গুচিল কৃষ্ণৰ কৃপাহে সি জঞ্জাল নপাতো আৰু।।

কথা গুৰু চৰিত অথবা গুৰু-চৰিত-কথাৰ মূল বিষয়বস্তুৰ সৈতে অসমীয়া সমাজ জীৱনৰ সম্বন্ধ নিগূঢ়ভাৱে জড়িত। সেয়ে ইয়াত অসমীয়া জনজীৱন বা সমাজ জীৱনৰ কথিত ভাষাৰ ব্যৱহাৰ হোৱাটো বাস্তৱিক। কথিত ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত আলোচক বিৰিঞ্চি কুমাৰ বৰুৱাই তিনিটা

বিশেষ দিশৰ কথা উল্লেখ কৰিছে– "কথা-বতৰাৰ বাক্য-ভঙ্গিমাৰ প্ৰয়োগত, চলিত সৰ্বনাম ক্ৰিয়াপদৰ সংযোগত আৰু ঘৰুৱা শব্দৰ প্ৰাচুৰ্যত।" আপোনাৰ অধ্যয়নৰ বাবে বাচি লোৱা গুৰু-চৰিত-কথা গ্ৰন্থৰ অংশবিশেষতো এই তিনিওটা দিশৰ প্ৰকাশ লক্ষ্য কৰিব পাৰি। ওপৰত উল্লেখ কৰা উদাহৰণটিত এই কেইটাদিশ স্পষ্টভাৱে ফুটি উঠিছে। মন কৰিবলগীয়া যে গুৰু-চৰিত-কথাৰ ভাষাত ঘৰুৱা শব্দৰ ব্যৱহাৰ প্ৰচুৰ। উদাহৰণ হিচাপে উল্লেখ কৰিব পাৰি– বাথানে, ধান এফেৰি, দল পলসত, চৰুত, ভণ্টাখেৰি, ভোজন, গুৱাবটা ইত্যাদি।

গুৰু-চৰিত-কথাৰ ভাষাত এটি গুৰু গম্ভীৰ ভকতীয়া ঠাঁচ পৰিলক্ষিত হয়। আপুনি ইতিমধ্যে পাই আহিছে যে ধৰ্মীয় পৰিবেশত সত্ৰীয়া পৰম্পৰাৰ ঐতিহ্যপূৰ্ণ চৰিততোলা প্ৰথাৰ পৰাই এই বিধ চৰিত-সাহিত্যৰ সৃষ্টি। সেই হেতুকে ইয়াত ধৰ্মীয় আছ্বাদনযুক্ত আৰু নম্ৰতাপূৰ্ণ ঠাঁচ এটি অৱধাৰিতভাৱে আহি পৰিছে।

গুৰু-চৰিত-কথাৰ বাক্য-ৰীতিত এক বৈচিত্ৰ্যপূৰ্ণ দিশ লক্ষ্য কৰিব পাৰি। স্বাভাৱিক কথন-ৰীতিৰ ফলস্বৰূপে সৃষ্টি হোৱা এইবিধ চৰিত-সাহিত্যত সাধাৰণতে নিৰ্দেশক, আস্থাসূচক, প্ৰশ্নবোধক বিবৃতিমূলক বাক্যৰ সুপ্ৰয়োগ ঘটিছে। আনহাতে বিষয়বস্তুৰ উপযোগীকৈ সৰল, মিশ্ৰ আৰু যৌগিক বাক্যৰো যথোচিত সমাহাৰ ইয়াত লক্ষ্য কৰিব পাৰিব। সাধাৰণভাৱে ইয়াত চুটি চুটি বাক্যৰ ব্যৱহাৰৰ দ্বাৰা কথোপকথন ৰীতিৰ ক্ষিপ্ৰতা প্ৰতিপন্ন কৰা হৈছে, কিন্তু ঠায়ে ঠায়ে এটি –দুটি সমাসবদ্ধ দীঘলীয়া বাক্যৰ ব্যৱহাৰো ঘটিছে। এনে বৈচিত্ৰ্যপূৰ্ণ বাক্যৰীতিয়ে গুৰু-চৰিত-কথাৰ বাক্যশৈলীক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। উল্লেখযোগ্য যে বাক্যৰ এনে ব্যৱহাৰ সুস্পষ্ট কৰিবলৈ যতি চিনবো উপযুক্ত প্ৰয়োগ কৰা হৈছে।

বুৰঞ্জীৰ গদ্যত বাক্যবোৰ 'পাচে', 'এই বুলি'ৰ দ্বাৰা আৰম্ভ হোৱাৰ নিচিনাকৈ গুৰু-চৰিত-কথাবো বাক্যবোৰ 'পাচে' ব্যৱহাৰ কৰি আৰম্ভ কৰা হৈছে। যেনে–

- পাচে গুৰুজনে বোলে আই চোন পঢ়িব পাবো নপাবো পঢ়াসালিতে থোৱানি।।
- পাচে তেঞ আহি মহিন্দ্ৰ কন্দলিক ধৰিলেহি : বোলে শূদ্ৰকহে ওজা কৈ বামুনক পাঠ দিওতা দেউ বোলৱা কিৱ নকৰাবা।।

ইয়াৰ উপৰি বৰ্ণিত বিষয়সমূহৰ পাৰস্পৰিক প্ৰসঙ্গ আৰু সম্পৰ্ক ৰক্ষা কৰিবলৈ 'এই মতে', 'আৰু', 'তেহে' আদিৰ দ্বাৰা বাক্য আৰম্ভ কৰাৰ এক ৰীতি ইয়াত দেখা যায়। পাঠাংশৰ পৰাই ইয়াৰ উদাহৰণ দাঙি ধৰিব পাৰি –

- এই মতে আনো অনন্ত মহিমা দেখাই চাৰি পাচ বৰ্ষ হল :
- আৰু ৰা সুন্তিএ লোহিত গৈচিল :
- তেহে দুকুৰি চৈধে বৰ্ষ আই পোন্ধেৰ বৎসৰত বিবাহ শুভ মাহ বাৰ তিথিত কৰালে।

গুৰু-চৰিত কথাৰ গদ্যশৈলীৰ আন এক বৈশিষ্ট্যপূৰ্ণ দিশ হৈছে অনিয়মিত বাক্যৰ ব্যৱহাৰ। ইয়াত কৰ্তা, কৰ্ম আৰু ক্ৰিয়াপদৰ স্বাভাৱিক স্থানৰ প্ৰয়োগ নাথাকে। কেতিয়াবা কৰ্তাপদ উহ্যও হৈ থাকে। চৰিত পুথিৰ ভাষা লোকজীৱনৰ ভাষাৰীতিৰ পৰা আহৰিত হোৱা বাবেই এনে ৰীতিৰ প্ৰয়োগ হোৱা বুলি নিঃসন্দেহে ক'ব পাৰি।

গুৰু-চৰিত-কথাত অসমীয়া জনজীৱনত ব্যৱহৃত নীতিবচন, প্ৰবাদ বাক্য, যোজনা-পটন্তৰ, খণ্ড বাক্য, ইত্যাদি জতুৱা প্ৰয়োগৰ নমুনা আছে। আপোনাৰ অধ্যয়নৰ বাবে নিদ্ধৰ্াৰিত পাঠ্যাংশৰ পৰাই ইয়াৰ উদাহৰণ দাঙি ধৰিব পাৰি–

- ৰাজ্যক স্বদেশেহে পূজেঃ বিদ্যাৱন্ত সৰ্ব্বদেশে পূজ্য।।
- পাচে আএ বোলে জৰ বস্তু তলৈ গলঃ
- গোপাল কি গতি কৈলে।।

এনেদৰে দেখা যায় যে, গুৰু-চৰিত-কথাৰ ভাষাৰীতিৰ বুলি অসমীয়া গদ্য-সাহিত্যৰ এক বিশিষ্ট ধাৰা সূচিত হৈছে। এই ধাৰাটি অসমীয়া গদ্য-সাহিত্যৰ আন কেইটিমান সুঁতিৰ পৰা পৃথক। বুৰঞ্জীৰ গদ্য, তাৰো আগৰ ভট্টদেৱী গদ্য, ব্যৱহাৰিক সাহিত্যৰ গদ্য প্ৰভৃতিয়ে অসমীয়া গদ্য-সাহিত্যৰ পথ-পৰিক্ৰমাক ন ন সমৃদ্ধি প্ৰদান কৰিছে। চৰিত-সাহিত্যৰ গদ্য এনেবোৰ গদ্য-সাহিত্যৰ পৰা পৃথক। মহাপুৰুষ দুজনাৰ লগতে বৈষ্ণৱ-পৰম্পৰাৰ সন্তসকলৰ জীৱন চৰ্যাৰ মাধ্যম হোৱা বাবেই ইয়াত উক্ত পৰম্পৰাৰ স্বাক্ষৰ থকাটো স্বাভাৱিক। চৰিত পুথিৰ বিষয়বস্তু কিঞ্চিৎভাৱে হ'লেও আত্মনিষ্ঠ, আনহাতে এই বিষয়বস্তুক উপস্থাপন কৰিবলৈ বক্তাৰ আৱেগ, ভক্তি আৰু বিনয়ৰ বিষয়কেইটাও জড়িত হৈ আছে। সেয়ে, ইয়াত উক্ত সকলো বিষয়কে দাঙি ধৰিব পৰা গদ্যৰীতিৰ নমুনা দেখাটো স্বাভাৱিক।

২ ৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চৰিত সাহিত্যৰ উদ্ভৱ মূলতঃ সত্ৰসমূহত প্ৰচলিত 'চৰিত তোলা' প্ৰথাৰ পৰা হৈছিল।
- শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি মহাপুৰুষসকলৰ জীৱন আৰু কৰ্ম চৰিত পুথিত লিপিবদ্ধ কৰা হৈছে।
- মাধৱদেৱে পোনপ্ৰথমে চৰিত তোলা প্ৰথাৰ আ�ৰম্ভণি কৰিছিল বুলি জনা যায়।
- গুৰু-চৰিত-কথা শংকৰদেৱৰ জীৱন, ধৰ্মপ্ৰচাৰ, সাহিত্যসাধনা আৰু সমাজ-সংস্কাৰমূলক কাৰ্যকলাপক কেন্দ্ৰ কৰি ৰচিত এখন গুৰুত্বপূৰ্ণ চৰিত পুথি।
- চৰিতখনত শংকৰদেৱৰ জন্ম, শৈশৱ, শিক্ষাজীৱন, তীৰ্থযাত্ৰা আৰু একশৰণ নামধৰ্ম প্ৰচাৰৰ বিৱৰণ আছে।
- শংকৰদেৱক অলৌকিক শক্তিসম্পন্ন মহাপুৰুষ হিচাপে উপস্থাপন কৰাৰ চেষ্টা চৰিতখনত দেখা যায়।
- শংকৰদেৱে সাহিত্য, সংগীত, নাট্যকলা আৰু চিত্ৰকলাৰ জৰিয়তে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। গুৰু-চৰিত-কথাত মধ্যযুগীয় অসমৰ সমাজ, সংস্কৃতি, শিক্ষা, অৰ্থনীতি আৰু ৰাজনৈতিক জীৱনৰ মূল্যৱান তথ্য সংৰক্ষিত আছে।
- গুৰু-চৰিত-কথাৰ ভাষা ঘৰুৱা কথ্যভাষাৰ ওচৰ চপা আৰু কথোপকথনধৰ্মী। ইয়াৰ গদ্যত ভকতীয়া ঠাঁচ, নাটকীয় বাক্‌ৰীতি, প্ৰবাদ-প্ৰবচন আৰু লোকভাষাৰ ব্যাপক ব্যৱহাৰ দেখা যায়।

- চুটি বাক্য, 'পাচে', 'এই মতে', 'আৰু', 'তেহে' আদি শব্দৰ ব্যৱহাৰে গদ্যশৈলীক সজীৱ আৰু গতিশীল কৰি তুলিছে।
- চৰিত পুথিৰ গদ্য অসমীয়া গদ্য-সাহিত্যৰ এক স্বতন্ত্ৰ আৰু বৈশিষ্ট্যপূৰ্ণ ধাৰা হিচাপে স্বীকৃত।

৭.৬ অধিক জানিবলৈ

গোস্বামী, গোলকেশ্বৰ (২০১২); গুৰু-চৰিত-কথা অধ্যয়ন আৰু বিশ্লেষণ; গুৱাহাটীঃ চন্দ্ৰ প্ৰকাশ ।

চক্ৰৱৰ্তী, মুকুল (২০০০); গুৰু-চৰিত-কথা অধ্যয়ন; গুৱাহাটী।

নেওগ, মহেশ্বৰ (সম্পা.) (১৯৮৭); গুৰু-চৰিত-কথা; গুৱাহাটীঃ গুৱাহাটী বিশ্ববিদ্যালয়।

নেওগ, মহেশ্বৰ (১৯৬০) অসমীয়া সাহিত্যৰ ৰূপৰেখা; গুৱাহাটীঃ লয়ার্ছ বুক ষ্টল।

বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৭); অসমীয়া কথা সাহিত্য; নলবাৰীঃ জার্ণাল এম্পৰিয়াম।

বৰ্মন, শিৱনাথ (সম্পা.) (১৯৯৭); অসমীয়া সাহিত্যৰ বুৰঞ্জী [দ্বিতীয় খণ্ড]; গুৱাহাটীঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

লেখাৰু, উপেন্দ্ৰচন্দ্ৰ (সম্পা.) (১৯৫২); কথা-গুৰুচৰিত; গুৱাহাটীঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৩); জীৱনী আৰু অসমীয়া জীৱনী; গুৱাহাটীঃ ষ্টুডেণ্টছ্ ষ্টোৰচ্।

শৰ্মা দলৈ, হৰিনাথ (১৯৯২); অসমীয়া গদ্য সাহিত্যৰ গতিপথ; নলবাৰীঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।

শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* সৌমাৰ প্ৰকাশ।

৭.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ : মাধৱদেৱে।

২ নং প্ৰশ্নৰ উত্তৰ : গুৰু চৰিত (শঙ্কৰ) নামে পৰিচিত হয়।

৭.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ : তলত দিয়া প্ৰসমূহৰ উত্তৰ লিখক

ক) 'চৰিত তোলা' প্ৰথা পোনপ্ৰথমে কোনে আৰম্ভ কৰিছিল বুলি জনা যায় ?

খ) উপেন্দ্ৰচন্দ্ৰ লেখাৰুৱে ১৯৫২ চনত প্ৰকাশ কৰা পুথিখনৰ নাম কি ৰাখিছিল ?

গ) গুৰু-চৰিত-কথাৰ মূল বিষয়বস্তু কি ?

ঘ) শংকৰদেৱে কোন ধৰ্মৰ প্ৰচাৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল ?

ঙ) গুৰু-চৰিত-কথাৰ ভাষাৰ এটা মুখ্য বৈশিষ্ট্য কি ?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : 'চৰিত তোলা' প্ৰথা বুলিলে কি বুজা ?

প্ৰশ্ন ২ : গুৰু-চৰিত-কথা নামটো কেনেকৈ প্ৰচলিত হৈছিল ?

প্ৰশ্ন ৩ : শংকৰদেৱৰ শিক্ষাজীৱনৰ বিষয়ে চমুকৈ লিখা।

প্ৰশ্ন ৪ : শংকৰদেৱৰ তীৰ্থযাত্ৰাই তেওঁৰ জীৱনত কি প্ৰভাৱ পেলাইছিল ?

প্ৰশ্ন ৫ : গুৰু-চৰিত-কথাৰ গদ্যৰীতিত কথোপকথনধৰ্মী ভংগী কেনেকৈ প্ৰকাশ পাইছে ?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ : চৰিত সাহিত্যৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ২ : গুৰু-চৰিত-কথাৰ বিষয়বস্তুৰ আলোচনা কৰা।

প্ৰশ্ন ৩ : গুৰু-চৰিত-কথাত শংকৰদেৱৰ ব্যক্তিত্ব আৰু অৱদান কেনেদৰে চিত্ৰিত হৈছে আলোচনা কৰা।

প্ৰশ্ন ৪ : গুৰু-চৰিত-কথাৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা।

প্ৰশ্ন ৫ : গুৰু-চৰিত-কথাক মধ্যযুগীয় অসমৰ সমাজ-সংস্কৃতিৰ এখন মূল্যৱান দলিল বুলি কিয় কোৱা হয়? আলোচনা কৰা।
